# এনবিএফচি সমূহত ধন জমা থোৱাৰ আগতে কি পৰীক্ষা কৰিব লাগে তাৰ ওপৰত আৰবিআইৰ পৰামৰ্শ

কোনো জমাকাৰীয়ে কোনো এটা এনবিএফচিত ধন জমা থোৱাৰ আগতে নিশ্চিত হোৱা আৱশ্যক যেঃ

এনবিএফচিটো আৰবিআইত পঞ্জীয়নভুক্ত আৰু ধম জমা ৰখাৰ বাবে ই বিশেষভাৱে কৰ্তৃত্বশীল। আৰবিআইৰ ৱেবচাইট www.rbi.org.in à sitemap à NBFC List ত জাৰি কৰা জমা থ'ব পৰা এনবিএফচি সমূহৰ তালিকা পৰীক্ষা কৰিব পাৰিব। জমাকাৰীয়ে ৰাইজৰ ধন জমা থ'ব পৰা অনুমতিপ্ৰাপ্ত এনবিএফচি সমূহৰ তালিকা পৰীক্ষা কৰা উচিত আৰু এইটোও পৰীক্ষা কৰা উচিত যে ধন জমা থ'বলৈ বাৰণ কৰা কোম্পানীসমূহৰ তালিকাত সেই কোম্পানীৰ নাম থাকিব নালাগে।

এনবিএফচি সমূহে ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰদান কৰা পঞ্জীয়ন প্ৰমাণ পত্ৰ (চি অ' আৰ) নিজৰ ৱেবচাইটত প্ৰকাশিত কৰি ৰাখে। যদি কোনো এটা এনবিএফচি ৰাইজৰ ধন জমা থোৱাৰ বাবে কৰ্তৃত্বশীল, সেই প্ৰমাণ পত্ৰখন ঠাইতে দেখা পোৱা যাব।

এনবিএফচি সমূহৰ দ্বাৰা সংগৃহীত জমা ধন ঘূৰাই দিয়াৰ বাবে আৰবিআইয়ে গেৰাণ্টি নিদিয়ে।

এনবিএফচি সমূহে নিজৰ ব্যৱসায় পৰিচালনাত কোনো ক্ষেত্ৰতে আৰবিআইৰ নাম ব্যৱহাৰ কৰিব নোৱাৰে।

বৰ্তমান কোনো এটা এনবিএফচিয়ে জমাকাৰীক সৰ্বাধিক সূতৰ হাৰ 12.5 শতাংতকৈ অধিক দিব নোৱাৰে। ৰিজাৰ্ভ বেংকে, অৱশ্যে, সুক্ষ্ম আৰ্থিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি এই সূতৰ হাৰ পৰিৱৰ্তন কৰি থাকে। ৰিজাৰ্ভ বেংকে www.rbi.org.in à sitemap à NBFC List à FAQs ত পৰিৱৰ্তিত সূতৰ হাৰ প্ৰকাশিত কৰি থাকে।

জমাকাৰীজনে কোম্পানীত ধন জমা থোৱাৰ প্ৰত্যেক ধনৰাশিৰ বিপৰীতে যথোচিত ৰচিদ সংগ্ৰহ কৰিব লাগে। সেই ৰচিদখন কোম্পানীৰ দ্বাৰা কৰ্তৃত্বশীল বিষয়াৰ স্বাক্ষৰ থকা আৰু জমা কৰাৰ তাৰিখ, জমাকাৰীৰ নাম, ধনখিনিৰ পৰিমাণ আখৰেৰে লিখা আৰু সংখ্যাৰে লিখা, প্ৰদান কৰিবলগীয়া সূতৰ হাৰ, মিচ্যুৰিটিৰ তাৰিখ আৰু সমূদায় ধন উল্লেখ থাকিব লাগে। যদি বিনিয়োগৰ অফাৰত সূতৰ হাৰ বা ৰিটাৰ্ণৰ হাৰ বজাৰত অন্য কোম্পানীৰ দ্বাৰা প্ৰদান কৰা হাৰতকৈ অধিক নে সেইটো বিনিয়োগকাৰীয়ে লক্ষ্য ৰখা উচিত। প্ৰতিষ্ঠানটোৱে উচ্চ ৰিটাৰ্ণ অৰ্জনৰ বাবে, হাই ৰিস্কৰ বিনিয়োগ কৰে। হাই ৰিস্কে বিপদজনক কাৰ্যকলাপ কৰোতাই আৰু এনে কাৰ্যকলাপত তেওঁলোকে সুৰক্ষিত ৰিটাৰ্ণ নাপাবও পাৰে। এনে ক্ষেত্ৰত ৰাইজে উচ্চ হাৰত সূত প্ৰদান কৰা আঁচনি সমূহত ধনৰ লোকচান হোৱা কথাটোত বিনিয়োগকাৰীয়ে নিজেই সচেতন হোৱা বাঞ্ছনীয়। ইয়াৰ পিছতো, উচ্চ হাৰত ৰিটাৰ্ণৰ প্ৰতিশ্ৰুতি দিয়া আঁচনিত বিনিয়োগ কৰিব বিচাৰে, তেন্তে বিনিয়োগকাৰীয়ে এইটো নিশ্চিত হোৱা উচিত যে এনে ধৰণৰ ৰিটাৰ্ণৰ অফাৰ দিয়া প্ৰতিষ্ঠানটো বিত্তীয় খণ্ডৰ নিয়ামকৰ দ্বাৰা পঞ্জীয়নভুক্ত তথা ধন জমা থোৱাৰ বাবে কৰ্তৃত্বশীল। ই ডিপোজিত বা অন্য যিকোনো ৰূপত হ'ব পাৰে।